Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সপ্তম শ্ৰেণীৰ বাবে

অংকুৰণ

পাঠ - ১০

প্ৰত্যাহ্বান

অংশ - ১

পুণ্যব্ৰত বৰদলৈ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আমাৰ সমাজ জীৱনত বিশেষভাৱে সক্ষম বা দিব্যাংগসকলে এক বিশেষ স্থান অধিকাৰ কৰি আছে। এই পাঠটিত তিনিগৰাকী দিব্যাংগৰ চমু জীৱন-গাঁথা আলোচনা কৰা হৈছে। তাৰে দুগৰাকী নাৰী আৰু এজন পুৰুষ। নাৰী দুগৰাকীৰ এগৰাকীয়ে হাত দুখন নোহোৱাকৈয়ে পৃথিৱীৰ পোহৰ দেখিছে আৰু আন গৰাকীয়ে দুৰ্ঘটনাত পতিত হৈ দুয়োখন হাত হেৰুৱাবলগীয়া হৈছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আনহাতে, পুৰুষজন জন্মৰে পৰা মুকবধিৰ। অর্থাৎ তেওঁ কাণেৰেও নুশুনে, ক'বও নোৱাৰে। কিন্তু সকলো প্রতিকূল অৱস্থাক নেওচি বাস্তৱ পৰিস্থিতিৰ মুখামুখি হৈ তেওঁলোক জীৱন-যাত্রাত আগবাঢ়ি গৈছে। এই তিনিগৰাকী ব্যক্তিৰ সাক্ষাৎকাৰৰ জৰিয়তে তেওঁলোকৰ মানসিক দৃঢ়তাৰ কথা পাঠটিত প্রতিপন্ন কৰা হৈছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্রিন্সি গগৈ (১)

প্রশ্নকর্তা : নমস্কাৰ, আজি আপোনাৰ লগত চিনাকি হ'বলৈ আহিছোঁ।

প্রিন্সি গগৈ : নমস্কাৰ।

প্রশ্নকর্তা : আপুনি এই জীৱন সংগ্রামত শাৰীৰিক প্রতিকূলতাকো নেওচি আজি নিজকে প্রতিষ্ঠিত কৰিছে। জন্মৰ পৰাই আপুনি কেনেদৰে এই সংগ্রামৰ মুখামুখি হৈছিল?

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্রিন্সি গগৈ : জন্মৰে পৰাই মোৰ দুয়োখন হাত নাছিল। কিছুমান লোকে মোক সমমর্মিতাৰে আঁকোৱালি লৈছিল। আন কিছুমানে আকৌ মোক অমংগলীয়া বুলি গণ্য কৰিছিল।



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্রশ্নকর্তা : বিদ্যালয়ত নামভর্তি কৰোঁতে কিবা বাধা-বিবাদৰ সন্মুখীন হৈছিল নেকি?

প্রিন্সি গগৈ : হৈছিল। এখন বিদ্যালয়ে মোক নামভর্তি কৰিবলৈ দিয়া নাছিল। কেৱল সোণাৰীৰ 'ৰজাটাপ প্রাথমিক বিদ্যালয়'ৰ কর্তৃপক্ষই মোক আঁকোৱালি লৈছিল।

প্রশ্নকর্তা : বিদ্যালয়ত আপুনি কেনেকৈ লিখিছিল?

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্রিন্সি গগৈ : ভৱিৱেই লিখি মই মোৰ শিক্ষা জীৱন আৰম্ভ কৰি 'সোণাৰী জাতীয় বিদ্যালয়'ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীর্ণ হওঁ। পাছত উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ দেওনাও পাৰ হৈ বর্তমান 'কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়'ত স্নাতক পর্যায়ত অধ্যয়ন কৰি আছোঁ।

প্রশ্নকর্তা : আজৰি সময়ত আপুনি কি কৰি ভাল পায়?

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্রিন্সি গগৈ : মই ভৰিৰ আঙুলিৰ জৰিয়তে ছবিও অংকন কৰোঁ আৰু ছবি আঁকাৰ এটা প্রশিক্ষণ কেন্দ্রও খুলিছোঁ। তদুপৰি, মই গান গাই মনৰ দুখ কিছু পাতলাওঁ।

প্রশ্নকর্তা : বাৰু, এতিয়া আপোনালোকৰ অর্থনৈতিক দিশটোৰ বিষয়ে অলপ ক'বনে?

অংশ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্রিন্সি গগৈ : আগতে অর্থনৈতিক অৱস্থা বৰ স্বচ্ছল নাছিল। অতিশয় কষ্টৰ মাজেৰে জীৱন অতিবাহিত কৰিমই এতিয়া গুৱাহাটীৰ 'নেমকেয়াৰ হাস্পাতাল'ৰ অভ্যর্থনা কক্ষত কর্মৰত।

প্রশ্নকর্তা : সংগ্রামেই আপোনাৰ জীৱন লগৰী। বাৰু, দিব্যাংগসকলক আপুনি কিবা ক'ব নেকি?

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্রিন্সি গগৈ : জীৱনৰ গতিপথত নানা বাধা-বিঘিনি থাকিবই। সেইবোৰ নেওচি আগবাঢ়ি যোৱাটোৱেই হ'ল মূল কথা। মই তেনে চিন্তাৰে আগবাঢ়িবলৈ চেষ্টা কৰিছোঁ আৰু আনকো আগবাঢ়িবলৈ অনুৰোধ জনাইছোঁ।

প্রশ্নকর্তা : আপোনাৰ দৃঢ় মনোবলৰ শলাগ লৈছোঁ। আপোনালৈ শুভ কামনা জনাই আজিলৈ বিদায় লৈছোঁ।

প্রিন্সি গগৈ : ধন্যবাদ।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। প্ৰিন্সি গগৈয়ে বিদ্যালয়ত কেনেকৈ লিখিছিল?

(ক) প্ৰিন্সি গগৈয়ে বিদ্যালয়ত ভৰিৰে লিখিছিল।

(খ) প্ৰিন্সি গগৈয়ে বিদ্যালয়ত হাতেৰে লিখিছিল।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



২। প্রিন্সি গগৈ এতিয়া ক'ত কর্মৰত?

(ক) প্রিন্সি গগৈ এতিয়া গুৱাহাটীৰ ডাউন টাউন হাস্পতালত কর্মৰত।

(খ) প্রিন্সি গগৈ এতিয়া গুৱাহাটীৰ 'নেমকেয়াৰ হাস্পাতাল'ৰ অভ্যর্থনা কক্ষত কর্মৰত।